অসম আদিত্য

RNI REGN. No. : AS
epaper.asom
Portal : www.as
e-mail : asomad

২৬০ ■ ৭ আহিন, ১৯৪৮ শক ■ শুকুৰবাৰ, ২৫ ছেপ্টেম্বৰ, ২০২৬ ■ Asom Aditya, Dibrugarh, Friday, September 25, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত

াণী
মানক
ভগাব
কৃতিত্ব।
া ঘৰফলীয়া

স্বা
দুৰ্বল ৰোগ প্ৰতিৰোধ
পটল খোৱাটো উপ
পৰিমাণে ভিটামিন-
উৎকৃষ্ট এন্টি-অক্সি
পৰাও সুৰক্ষিত



মিলনপুৰ নামঘৰত জন্মোৎসৱৰ সভাত ড° শশীকান্ত শইকীয়া

শংকৰদেৱৰ অসমীয়া সমাজ এতিয়া নাই

বিশেষ প্ৰতিবেদক, ডিগবৈ, ২৪ ছেপ্টেম্বৰ ঃ 'শ্ৰীমন্ত শংকৰদেৱে গঢ়া বৃহত্তৰ অসমীয়া সমাজখন এতিয়া নাই।'— এই মন্তব্য ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, লেখক ড° শশীকান্ত শইকীয়াৰ। ডিগবৈৰ ১৯ টা নামঘৰে একত্ৰিত হৈ গোলাই মিলনপুৰ নামঘৰত আয়োজন কৰা ৫৭৮ তম শংকৰদেৱৰ জন্মোৎসৱৰ আজি অন্তিম দিনাৰ মুকলি সভাত ড° শশীকান্ত শইকীয়াই শ্ৰীমন্ত শংকৰদেৱৰ সেই শান্তি ঐক্য, একতা, মিলাপ্ৰীতি আৰু ভাষা সংস্কৃতি প্ৰায় নোহোৱা বুলি উদ্বেগ প্ৰকাশ কৰে। শংকৰদেৱৰ আত্মনিৰ্ভৰশীল অসমীয়া সমাজৰ আদৰ্শ পৰা আজি অসমীয়াই বিচ্ছিন্ন হ'ব ধৰিছে বুলিও আক্ষেপ প্ৰকাশ কৰে। শংকৰদেৱক আমি বিশ্ব দৰবাৰলৈ লৈ যাবলৈ শ্ল'গান দি থাকিলে নহ'ব, প্ৰকৃতাৰ্থত প্ৰণালীবদ্ধভাৱে কাম কৰিব লাগিব বুলি মতপোষণ কৰে শইকীয়াই। গুৰুজনাৰ উদ্ধৃতিৰে মুখ্য অতিথি ড° শশীকান্ত শইকীয়াই সকলোকে হাতচাপৰি বজাই থাকিবলৈ আহ্বান জনায়। হাঁহিব জনা জাতিয়ে বিশ্বজয় কৰিব পাৰে। গুৰুজনাই সেইসময়ত সকলোকে হাঁহিবলৈ শিকাইছিল। শংকৰদেৱে এখন সমাজ প্ৰদান কৰিছিল। কিন্তু বৰ্তমান প্ৰজন্মই গুৰুজনাৰ সৃষ্টিৰাজি, ৮ পৃষ্ঠাত

অসম আদিত্য

আহিন, ১৯৪৮ শক ■ শুকুৰবাৰ, ২৫ ছেপ্টেম্বৰ, ২০২৬ ■ Asom Aditya, Dibrugarh, Friday, September 25, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

ভাৰতীয় সমাজৰ

অতীত আদিম সভ্যতাৰ
বৰ্তমানলৈকে ভাৰতীয় সমাজে
আৰু মৰ্যাদাপূৰ্ণ পৰিক্ৰমা
কৰিছে। সিন্ধু উপত্যকা সভ
আৰম্ভ কৰি আধুনিক তথ
যুগলৈকে, এই যাত্ৰাত ভাৰ

ইস্তফাৰ বাবে জ

নিৰ্বাচন ত

শংকৰদেৱৰ অসমীয়া সমাজ

জীৱন-নিৰ্বাহ ধাৰণক উপেক্ষিত কৰি নিজকে তথাকথিত আধুনিক সভ্যতাৰ সৈতে খোজ মিলাবলৈ গৈ নিজৰ সংস্কৃতি পাহৰি এক বিশৃংখল সমাজ গঢ়ি তোলা হৈছে বুলি কয়। কৰ্মৰ যোগেদি, ধৰ্ম আৰু সমন্বয়ৰ যোগেদি সংযমী হৈ নিজকে আগবঢ়াই নিবলৈ মহাপুৰুষ শংকৰদেৱে সকলোকে আহ্বান জনাইছিল। জিণ্টিময়ী ভৰালী দাসে এটি বৰগীত পৰিৱেশনেৰে শুভাৰম্ভ কৰা মুকলি সভাখনৰ সভাপতিত্ব কৰে আয়োজক সমিতিৰ সভাপতি অজিত সোনোৱালে। সাধাৰণ সম্পাদক অমৃত দত্তই সূচনা কৰা মুকলি সভাখন উদ্বোধন কৰে বিশিষ্ট সাহিত্যিক পেঞ্চনাৰ পুণ্য শইকীয়াই। সভাত কাৰ্যকৰী উপদেষ্টা দ্বিপেন কুমাৰ বড়া, কাৰ্যকৰী সভাপতি জিতেন দত্ত, অভ্যৰ্থনা সমিতিৰ সভাপতি হৰিকান্ত বৰগোহাঁই, সাধাৰণ সম্পাদক পদুম খাকলাৰী, কোষাধ্যক্ষ পৰাণ খনিকৰসহ বহু গণ্য-মান্য ব্যক্তি, স্থানীয় ভকত বৈষ্ণৱ, আইসকল উপস্থিত থাকে। মুকলি সভাত ডিগবৈ সমাজ জীৱনলৈ আগবঢ়োৱা বিশিষ্ট সেৱাৰ বাবে অৰূপ গোস্বামী, ৰাম নিৰলা, ধৰ্মেশ্বৰ কাকতি, যতীন গগৈ, বিতুল শইকীয়া, ৰিজু ভট্টাচাৰ্য, ৰেনুপ্ৰভা বৰগোহাঁইক সম্বৰ্ধনা জনোৱা হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি হৰিকান্ত বৰগোহাঁয়ে আদৰণী ভাষণ প্ৰদান কৰাৰ পিছতেই আয়োজক সমিতিৰ সাধাৰণ সম্পাদক অমৃত দত্তই ৫৭৮ তম জন্মোৎসৱ পালন সমিতিৰ কাৰ্যক্ৰমণিকা ৰেঙনি পাঠ কৰে। ইয়াৰ মাজতে ডিগবৈৰ এগৰাকী যুৱতী সমাজকৰ্মী ধৰিত্ৰী বৰুৱাই এটি কামৰূপীয়া লোকগীত পৰিৱেশন কৰে। ডিগবৈ শংকৰজন্মোৎসৱৰ প্ৰতিবছৰে প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থ প্ৰণিপাতৰ একত্ৰ সংকলন উন্মোচনী সভাখনৰ আঁত ধৰে জোনালী বুঢ়াগোহাঁয়ে। প্ৰণিপাত একত্ৰ সংকলনখনি উন্মোচন কৰে সাহিত্যিক পুণ্য শইকীয়া আৰু বিশিষ্ট অতিথি ড° শশীকান্ত শইকীয়াই। ডিগবৈ অসম তেল সংমণ্ডলৰ কৰ্মচাৰী, বিশিষ্ট কবি, ভাওনা সংস্কৃতিৰ প্ৰশিক্ষক দ্বিপেন কুমাৰ বড়াই তেওঁৰ দীৰ্ঘদিনীয়া প্ৰচেষ্টাৰে সম্পাদনা কৰি প্ৰকাশ কৰি উলিওৱা ৮০০ পৃষ্ঠাৰ প্ৰণিপাত একত্ৰ সংকলনখনি ভৱিষ্যত প্ৰজন্মৰ বাবে এক অমূল সম্পদৰূপে সংৰক্ষিত হৈ ৰ'ব বুলি আয়োজক সমিতিয়ে ব্যক্ত কৰে।

সোধাত সভানেত্ৰীয়ে নাম কৰ্তনৰ বিষয়টোৰ সন্দৰ্ভত তেওঁ একো নাজানে বুলি জানিবলৈ দিয়ে বুলি ভুক্তভোগীসকলে সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰিছে। সম্প্ৰতি নাম কৰ্তনৰ বিষয়টোক লৈ মহিলাসকলৰ মাজত অধিক অসন্তুষ্টিৰ সৃষ্টি হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিষয়টোত হস্তক্ষেপ কৰি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায় প্ৰতিবাদী মহিলাসকলে।

ব্ৰহ্মপুত্ৰৰ এৰাসুঁতিত ছাত্ৰ

ছানী পেগু (১৮) নামৰ নামদেউৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰজন চাপৰিত গৰু থ'বলৈ যাওঁতে ব্ৰহ্মপুত্ৰৰ এৰা সুঁতিত সন্ধানহীন হয়। ঘটনাৰ বিৱৰণী মতে, আজি পুৱা প্ৰায় ৮ বজাত মোমায়েক দিগন্ত পেগুৰ সৈতে ছানী পেগুৱে চাৰিঘৰীয়া কলবাৰী চেক বান্ধৰে ব্ৰহ্মপুত্ৰৰ এৰা সুঁতিৰে চাপৰিত গৰু থ'বলৈ গৈছিল। দ পানীত মোমায়েক দিগন্ত পেগু (৩৫) আৰু ভাগিন ছানী পেগু (১৮) সন্ধানহীন হয় যদিও দিগন্ত পেগুক উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

জাঁজীত ই-ৰিক্সা চালকৰ

উঠিছে। জাঁজীৰ চাৰিশৰীয়া ৰাষ্ট্ৰীয় ঘাইপথ আৰু জাঁজী মোকক্চাং ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগস্থলীত এই সকল ৰিক্সা চালকে স'ততে হাই-কাজিয়াত লিপ্ত হোৱাৰ লগতে অশ্ৰাব্য বাক্যৰে এলেকাটোৰ শান্তি বিঘ্নিত কৰাৰ অভিযোগ কৰিছে স্থানীয় ৰাইজে। আজিৰ বিয়লিৰ ভাগতো দুগৰাকী ই-ৰিক্সা চালকে ৰাজপথতে হতাহতিত লিপ্ত হোৱা বুলি জানিব পৰা গৈছে। আনহাতে, জাঁজীৰ চাৰিশৰীয়া ৰাষ্ট্ৰীয় ঘাইপথৰ উৰণীয়া সেতুৰ তলত দুই ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগস্থলীত বিশৃংখলভাৱে ৰখাই থোৱা যাত্ৰীবাহী বাহনসমূহে স'ততে আন যানবাহনৰ যাতায়াতত বাধা জন্মোৱাৰ লগতে দুৰ্ঘটনাৰ আশংকা বৃদ্ধি কৰা পৰিলক্ষিত হৈছে। স্থানীয় ৰাইজে এই ক্ষেত্ৰত প্ৰশাসনৰ হস্তক্ষেপ দাবী কৰিছে।